# চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ অভিজ্ঞতা

**অশোক ঠাকুৰীয়া**

সুদূৰপ্ৰসাৰী বুলিলে আক্ষৰিক অৰ্থত যিটো বুজা যায় সেই ফল ভোগ কৰাটো আন নহ'লেও মোৰ ক্ষেত্ৰত আখৰে আখৰে ফলিয়াইছে। জীৱনকাল চোৱাত মুখামুখি/জড়িত হোৱা কিছুমান ঘটনাৰ 'সুদূৰপ্ৰসাৰী ফল' এতিয়া অৱসৰী পৰ্ব আৰম্ভ হোৱা সময়তো ভোগ কৰি আছোঁ। ইয়াৰ পৰা নিস্তাৰ পোৱা উপায় নাই। বৰঞ্চ সহাৱস্থান কৰাৰ প্ৰচেষ্টা অব্যাহত আছে।

অভিযান্ত্ৰিক মহাবিদ্যালয়খনৰ চূড়ান্ত বৰ্ষৰ শেষ পৰীক্ষাৰ প্ৰস্তুতি প্ৰায় সমাপ্ত কৰি আনিছোঁ। পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে সদায় বিশ্ববিদ্যালয় চৌহদলৈ নগ'লেও চলে। আবাসীসকল দিন-ৰাতি একাকাৰ কৰি ছাত্ৰাবাসৰ কোঠাত আবদ্ধ। নিত্য প্ৰাত্যহিক কৰ্মৰ বাদে অইন কাৰ্যকলাপ কোঠাতে আবদ্ধ। সেই সময়ত বছৰেকীয়া পদ্ধতি প্ৰৱৰ্তন আছিল আৰু সকলোৱে পৰীক্ষাৰ আগতে পোৱা এমহীয়া 'ষ্টাডি লিভ'ত দিন-ৰাতি একাকাৰ কৰি পঢ়িছিল। সময়ৰ কোনো চেদ-ভেদ নাই; ৰাতিৰ সাঁজ কোনোবাই পাছদিনা ৰাতিপুৱা খাই তিনি ঘণ্টা এলাৰ্ম দি শুই লয়। হোষ্টেলত শ্মশানৰ নিৰৱতা বিৰাজ কৰে। আমাৰ দৰে কমধতুৱা আবাসী এনে পৰিৱেশত অনভ্যস্ত হোৱাৰ বাবে আচহুৱা অনুভৱ হয়। মন খুলি কথা এষাৰ পাতিবলৈ অৱকাশ নাই। পৰাপক্ষত কোনেও কাকো আমনি নিদিয়ে। মোৰ আগৰ দৰে ৰুটিনমাফিক পঢ়া-শুনাৰ গঢ়-গতি দেখি শংকিত হৈ দিলীপহঁতে মোৰ কোঠালৈ আহি গালি পাৰি পঢ়াই থৈ যায়। মহাৰণৰ প্ৰস্তুতি তুংগত উঠাৰ সময়তে এটি হৃদয় বিদাৰক ঘটনাই আবাসীসকলৰ মন-মগজু জোকাৰি থৈ গ'ল—এটা দেওবাৰে ১ নম্বৰ ছাত্ৰাবাসৰ আবাসী চূড়ান্ত বৰ্ষৰ ছাত্ৰ এজনে নিজৰ কোঠাত ছিলিং ফেনৰ পৰা চিপ লৈ অপঘাত মৃত্যু বৰণ কৰিলে। কাৰণ অজ্ঞাত থাকি গ'ল। সহপাঠী বন্ধু এজনৰ আকস্মিক অপঘাত মৃত্যুৰ ঘটনাই গোটেই চৌহদৰ পৰিৱেশ আতংকময় কৰি তুলিলে। পাছৰটো দেওবাৰে আন এটা ঘটনাই সকলোকে বাকৰুদ্ধ কৰি তুলিলে। যেন হলিউডৰ ছাছপেঞ্চ থ্ৰিলাৰৰ ধাৰাবাহিক প্ৰদৰ্শন। মাঘ বিহুৰ উৰুকা, তাতে আকৌ দেওবাৰ। সকলোৰে মনত উত্তেজনা—এইবাৰ কাৰ পাল! কলেজ বাছখনত উৰুকাত ঘৰলৈ যাবলৈ ওলোৱা আবাসীসকল ভিৰ। ৫ আৰু ৬ নম্বৰ ছাত্ৰাবাসৰ আবাসীৰে বাছ ভৰ্তি হৈ আহিছে। তথাপি ১ নম্বৰ ছাত্ৰাবাসৰ আবাসীজনে ফুটষ্টেপলৈ জঁপ মাৰি উঠাৰ প্ৰয়াস কৰিলে। দুৰ্ভাগ্যজনকভাৱে আবাসীজনৰ ভৰি পাউদানিত নপৰিল আৰু দেহাটো পিছফালৰ চকাৰ আগত পৰি লুটি খাই কিছু দূৰ যোৱাৰ পাছত দেখি থকা যাত্ৰীসকলৰ চিঞৰ-বাখৰত চালকজনে বাছখন ৰখালে। লগে লগে অধ্যাপক এজনৰ গাড়ীত তুলি হস্পিটেললৈ নিয়া হ'ল। নিয়মিত জিম কৰা অতি মেধাৱী আবাসীজনক অভ্যন্তৰীণ ৰক্তক্ষণৰ বাবে মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰিলে। অনন্য এটি প্ৰতিভা প্ৰস্ফুটিত হ'বলৈ নৌপাওঁতেই মৰহি গ'ল। শোকস্তব্ধ সহপাঠীসকলৰ যুদ্ধকালীন প্ৰস্তুতিত বাধা আহি পৰিল। দুয়ো দেওবাৰে ধাৰাবাহিকভাৱে দুজন সহপাঠীক হেৰুৱাই উদভ্ৰান্ত আবাসীসকলে ভাবিবলৈ ধৰিলে—আগত দেওবাৰে বা কাৰ পাল পৰে! সৰহসংখ্যক আবাসীৰে টোপনিত ব্যাঘাত জন্মিল। স্বাভাৱিকভাৱে পাছৰ সপ্তাহত হ'বলগীয়া পৰীক্ষা এসপ্তাহ পিছুৱাই দিয়া হ'ল। ১ নম্বৰ ছাত্ৰাবাসৰ লগত ২নম্বৰ ছাত্ৰাবাস সংলগ্ন হোৱাৰ বাবে আবাসীসকল অধিক জৰ্জৰিত হ'ল। নিদ্ৰাদেৱীয়ে মোৰ দৰে কিছু আবাসীক মাত্ৰাধিকভাৱে পীড়িত কৰিলে। ইতিমধ্যে নিৰ্ধাৰিত সময়তকৈ এসপ্তাহ পাছত পৰীক্ষা আৰম্ভ হ'ল। প্ৰায় এমাহ জুৰি চলা পৰীক্ষাৰ সময়ত মোৰ টোপনিৰ লগত আক্ষৰিক অৰ্থতে সম্পূৰ্ণভাৱে বিচ্ছেদ ঘটিল। প্ৰথম অৱস্থাত টোপনি আনিবৰ বাবে কি কি নিয়ম মানিব লাগে, মই সেই উপদেশ অইন আবাসীক প্ৰদান কৰা মোৰ মনত আজিও সযতনে সাঁচি ৰাখিছোঁ। যেনে ১ৰ পৰা ১০০লৈকে নেওতাখন উলোটাকৈ স্মৰণ কৰি যাব লাগে অথবা এটা এটাকৈ ভেৰা ছাগলী জপনা এখন পাৰ হৈ যোৱা ভাবিব লাগে ইত্যাদি ইত্যাদি। মোৰ ক্ষেত্ৰত স্থিতাৱস্থাৰ চুলি মানো হেৰফেৰ নহ'ল। মই দিয়া উপদেশসমূহ বুমেৰাং হৈ মোলৈ ঘূৰি আহিল। জনৈক বন্ধুৱে মদিৰা পান কৰাৰ উপদেশ দিলে। মনত ভয় সোমোৱা বুলি ভাবি ৰাতি কনিষ্ঠ আবাসীৰ লগত শোৱাৰ ব্যৱস্থা কৰা হ'ল। মহাবিদ্যালয় চৌহদৰ পৰা প্ৰায় দুই কিল'মিটাৰ আঁতৰতে মোৰ ঘৰ হোৱা হেতুৱে মাজে মাজে ঘৰৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ প্ৰয়াস কৰিলোঁ। একোতে সুফল পোৱা নগ'ল। ঘৰত দেউতাই মোক এইবাৰৰ বাবে পৰীক্ষা দিয়াৰ পৰা অব্যাহতি ল'বলৈ ক'লে। কিন্তু মোৰ মনে নামানিলে। পঢ়াশুনা জলাঞ্জলি দিয়াৰ পাছতো পৰীক্ষাত নিয়মিত উপস্থিত থাকিলোঁ। চিকিৎসকৰ লগত পৰামৰ্শ কৰি মোক শ্লিপিং টেবলেট দিয়া হ'ল। ঘৰত থাকোঁতে ৰাতি এটাকৈ শ্লিপিং টেবলেট সেৱন কৰি পাছলৈ পাৰ্শ্বক্ৰিয়াৰ কুফল ভোগ (hang over) কৰাৰ বাবে টেবলেট সেৱন পৰিহাৰ কৰিলোঁ। ছাত্ৰাবাসলৈ পুনৰ উভতি আহি শ্লিপিং টেবলেটকেইটা বন্ধু কমলৰ উপদেশ মৰ্মে তাৰ জিম্মাত জমা থ'লোঁ, যাতে অতি প্ৰয়োজনত ল'ব পাৰোঁ। ইতিমধ্যে শৰীৰৰ অৱস্থাৰ অৱনতি হোৱা সত্বেও পৰীক্ষাসমূহত উপস্থিত থাকিলোঁ বন্ধুসকলৰ সহমৰ্মিতাৰ বলত। বন্ধু দিলীপে এদিন নিশ্চয়তা দি তাৰ কোঠাত শুবলৈ লৈ গ'ল। সি প্ৰত্যাহ্বান জনাই ক'লে টোপনি নিৰ্ঘাত। পাছৰ দিনা পাছ বেলা বাৰ বজাৰ পৰা Road Railways & Airportৰ পৰীক্ষা আছিল। আমি ১০ বজাত শুবলৈ যো-জা কৰিলোঁ। তেতিয়া প্ৰতি ঘণ্টাৰ মূৰে মূৰে ৰাতিৰ চকীদাৰে ঘণ্টা কোবোৱাৰ নিয়ম আছিল। ঘণ্টাৰ শব্দত জানিলোঁ ১১ বাজিল, ১২ বাজিল, দুয়োজনৰে টোপনি নাই। এক বজাৰ লগে লগে দিলীপৰ ধৈৰ্যৰ বান্ধ ছিগিল। সি মোক গালি পৰা আৰম্ভ কৰিলে। ছাত্ৰ হিচাপে দিলীপ অতি ছিৰিয়াছ প্ৰকৃতিৰ আছিল। মোক ক'লে যে অতি কমেও দুঘণ্টা শুব নোৱাৰিলে তাৰ পৰীক্ষা দিয়াটো নহ'ব। দিলীপে মোৰ জমাত থকা শ্লিপিং টেবলেট বিচাৰিলে। মই টেবলেট এদিন খোৱাৰ পাছতে কিয় বন্ধ কৰিলোঁ তাক বুজালোঁ। কিন্তু সি নাছোড়বান্দা। তাক টেবলেট লাগিব। সময়ো গৈ আছে। উপায়ান্তৰ হৈ দিলীপক লৈ কমলৰ দুৱাৰত শব্দ কৰিলোঁ (কমলৰ জিম্মাত মোৰ শ্লিপিং টেবলেটখিনি আছিল)। কমলে দুৱাৰ খুলি দিলীপ আৰু মোক দেখি ঘটনাটো বুজি পালে আৰু তাৰ পেটেণ্টেড হাঁহিটোৰে ৰাতিৰ নিস্তব্ধতা থানবান কৰিলে। দিলীপে কাউবাউ কৰি শ্লিপিং টেবলেট বিচাৰিলে। কমলে অৱশেষত এটা টেবলেট দিলে আৰু দিলীপ আৰু মই সেইটোকে দুভাগ কৰি খাই শুই থাকিলোঁ। দিলীপৰ প্ৰচণ্ড নাকৰ শব্দ কৰি লগে লগে টোপনি আহিল। চিৰাচৰিত প্ৰথা অনুযায়ী মই নিদ্ৰাবিহীন নিশা কটালোঁ। পাছদিনা পৰীক্ষা দিবলৈ ওলাই ডাইনিং হলত আটাইকেইজন লগ হ'লোঁ। দিলীপ আৰু মোক দেখিয়ে কমলে ৰাতিৰ পেটেণ্টেড হাঁহিটোৰ পুনৰাবৃত্তি কৰি ঘোষণা কৰিলে—"এই দুই মক্কেলে ৰাতি শ্লিপিং টেবলেট বিচাৰি আহিছিল, দুয়োজনকে লগত থকা ভিটামিন টেবলেট এটা দুফাল কৰি খাবলৈ দিলোঁ আৰু সেই ভিটামিন টেবলেট এফালকৈ খাই দুয়োজনৰে দুৰ্ঘোৰ টোপনি। আকৌ হাঁহি। সেইসময়ত আবাসীসকলে পৰীক্ষাৰ সময়ত বিভিন্ন ঔষধ লগত ৰাখিছিল। সকলোৰে মন পাতল হ'ল। দিলীপৰ সেইদিনাৰ paperখন ভাল পোৱা শুনি মই ৰক্ষা পৰিলোঁ। আজিও আমি বন্ধুকেইজন লগ লাগিলে সেই দিনটো মনত পেলাই সেই পুৰণি হাঁহিটো উপভোগ কৰোঁ।

ঠিকনা ঃ অৱসৰপ্ৰাপ্ত অধীক্ষক অভিযন্তা, জলসিঞ্চন বিভাগ, সদিলাপুৰ, পাণ্ডু, গুৱাহাটী-৭৮০১২, ফোন ঃ ৯৪৩৫১১৩৭৩৯